بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**আহকামাতে ইলাহিয়া ৰছুলুল্লাহ (ছাঃ)ৰ আদৰ্শ আৰু জামাতি ৰিৱায়ত সমূহৰ আধাৰত পৰামৰ্শ সভাৰ গুৰত্ব সম্পৰ্কে বৰ্ণনা আৰু পদবীদাৰ আৰু শ্বোৰাৰ সদস্য বৃন্দৰ দায়িত্ব সম্পৰ্কে নচিহত**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ মে ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা লগতে ছুৰা আল ইমৰানৰ আয়াত **ফাবিমা ৰাহমাতিন মিনাল্লাহি লিনতা লাহুম ওৱা লাও কুনতা ফাজ্জান গালিজাল কালবি লা নাফাজ্জু মিন হাউলিকা ফাফু আনহুম ওৱাছতাগফিৰ লাহুম ওৱা শ্বাৰিৰহুম ফিল আমৰি ফাইজা আজামতা ফাতাৱাক্কাল আলাল্লাহি ইন্নাল্লাহা ইউহুববুল মুতাওাক্কালিন** পাঠ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই আয়াতৰ অনুবাদ হ'ল- গতিকে পিছত তুমি আল্লাহৰ কৰুণাত সিহঁতৰ প্ৰতি মৰমিয়াল হ'বা, কিন্তু যদি তুমি অশিষ্ট আৰু কঠিন হৃদয়ৰ হ'লা হয় তেন্তে নিশ্চয় সিহঁতে তোমাৰ পৰা আঁতৰি গ'লহেঁতেন; গতিকে তুমি সিহঁতৰ অপৰাধ ক্ষমা কৰি দিয়া আৰু সিহঁতৰ কাৰণে আল্লাহ তা'লাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা আৰু শাসন কাৰ্য্যত সিহঁতৰ লগত পৰামৰ্শ কৰিবা; পিছত যেতিয়া তুমি কোনো কাৰ্য্য কৰিবলৈ সিদ্ধান্ত ল'বা তেতিয়া আল্লাহৰ ওপৰত নিৰ্ভৰশীল হ'বা; বাস্তৱতে যিসকলে তাৰ ওপৰত ভৰসা কৰে নিৰ্ভৰ কৰে আল্লাহ তেওঁলোকক বৰ ভাল পায়।

বৰ্তমানে বিভিন্ন দেশ সমূহত জামাতৰ মজলিচে শ্বোৰা অনুষ্ঠিত হৈ আছে। আকৌ কিছুমান দেশত অনুষ্ঠিত হৈ গৈছে আৰু কিছুমান দেশত হ'বলৈ আছে। মজলিচে শ্বোৰা (পৰামৰ্শ সভা)ৰ গুৰুত্ব আৰু প্ৰতিনিধি বৰ্গৰ দায়িত্ব সম্পৰ্কে আগতেও মনত পেলাই দিয়া হৈছে। কেইবাবছৰ মান যোৱাৰ পিছত আকৌ ভাৱিলো যে আজি এই সম্পৰ্কে থকা আল্লাহৰ আদেশ, আঁহজৰত (ছাঃ)ৰ আদৰ্শ আৰু জামাতি ৰিৱায়ত সম্পৰ্কে কিছু কথা বৰ্ণনা কৰো। যিবোৰ ঠাইত মজলিচে শ্বোৰাৰ বৈঠক হৈ গৈছে তাৰে প্ৰতিনিধি সকলেও এই আদেশ উপদেশ সমূহ আওৱাব পাৰিব আৰু এই কথাবিলাক শ্বোৰাৰ সদস্য সকলে মনত ৰখা উচিত হ'ব; কাৰণ মজলিচে শ্বোৰাৰ প্ৰস্তাৱ সমূহৰ

ওপৰত খলিফা ওয়াক্তই সিদ্ধান্ত লোৱাৰ পিছত সদস্য সকলৰ ওপৰত কিছুমান দায়িত্ব আহি পৰে আৰু সেই দায়িত্ব সমূহ পালন কৰা আৰু তাতে থকা নিজৰ ভূমিকা সম্পন্ন কৰা প্ৰত্যেকজন মজলিচে শ্বোৰাৰ সদস্যৰ বাবে ফৰজ।

যি কোৰাণী আয়াত মই পাঠ কৰিছোঁ তাতে এই কথাখিনি সত্যায়ন কৰা হৈছে যে আঁহজৰত (ছাঃ) আল্লাহ তা'লাৰ বিশেষ কৰুণাত নিজৰ উম্মতলৈ বৰ কোমল হৃদয়ৰ সদয় ব্যক্তি আছিল। ইয়াতে এই কথাখিনিও মনত পেলাই দিছে যে আঁহজৰত (ছাঃ)ৰ এই মহান কাম আগবঢ়াই নিয়াৰ দায়িত্ব যাৰ ওপৰত ন্যস্ত কৰা হৈছে আৰু তেখেত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী আগমন কৰা মছীহ মাওউদ (আঃ)ৰ মিচন (অভিযান) পূৰ্ণ কৰাৰ দায়িত্ব যিসকলৰ ওপৰত ন্যস্ত কৰা হৈছে; তেওঁলোক প্ৰেম ভালপোৱা আৰু এখনি কোমল কপটহীন হৃদয়লৈ কাম কৰিব লাগিব।

আল্লাহ তা'লা কৈছে যে যদি কোমলতা আৰু দয়ালু আৰু সদয় ভাৱ দেখুওৱা নাই, কঠিন আচৰণ প্ৰদৰ্শন কৰিছে আৰু ক্ৰোধৰ বলি হৈছে তেন্তে সেইলোক সকলে আঁতৰি যাব। সেয়ে আল্লাহ তা'লা মাৰ্জনা কৰাৰ, ক্ষমা প্ৰাৰ্থনা কৰাৰ আৰু পৰামৰ্শ কৰাৰ আদেশ দিছে। সেয়ে এই নীতি আৰু শিক্ষা অনুযায়ী মজলিচে শ্বোৰা অনুষ্ঠিত কৰা হয়।

যেনেকৈ জনা যায় যে  এই মজলিচ কোনো চূড়ান্ত সিদ্ধান্তত উপনীত হোৱাৰ মজলিচ নহয় বৰং পৰামৰ্শ আগবঢ়োৱাৰ মজলিচ। সেয়ে কৈছে যে পৰামৰ্শ আদি শুনাৰ পিছত যি সিদ্ধান্তত তুমি উপনীত হ'বা তাতে আল্লাহ তা'লাৰ ওপৰত নিৰ্ভৰ কৰি ভৰসা কৰি কাম কৰিবা। তেতিয়া আল্লাহ তা'লা সেই কামত অসীম সুফল আৰু বৰকত প্ৰদান কৰিব।

নিৰ্ভৰশীলতাৰ সৰ্বোত্তম দৃষ্টান্ত আঁহজৰত (ছাঃ)ৰ জীৱনাদৰ্শত দেখিবলৈ পোৱা যায়। আঁহজৰত (ছাঃ)য়ে বহু সমস্যাৰ ক্ষেত্ৰত আল্লাহ তা'লাৰ ফালৰ পৰা পোনে পোনে সহায় লাভ কৰিছিল। কিন্তু সেইবোৰ সমস্যাৰ সময়ত সদায় পৰামৰ্শ লোৱা কৰিছিল। যিবোৰৰ সম্পৰ্কে আল্লাহ তা'লাৰ ফালৰ পৰা কোনো স্পষ্ট আদেশ পোৱা নাছিল। আঁহজৰত (ছাঃ)ৰ এই আমল আৰু আল্লাহ তা'লাৰ এইবোৰ আদেশ বুজাবলৈ জামাতি পদবীদাৰ সকলে জামাতৰ সদস্য বৃন্দৰ সৈতে কেনে আচৰণ কৰা উচিত; সেয়া চিন্তা কৰিব লাগিব আৰু আমিও পৰস্পৰে পৰামৰ্শৰ মাজেৰে কাম কৰা উচিত। আল্লাহ তা'লাৰ অশেষ কৃপা যে সি জামাতে আহমদীয়াক খিলাফতৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰিছে। গতিকে খলিফা ওয়াক্তই আল্লাহ তা'লাৰ আদেশ আৰু নবী (ছাঃ)ৰ ছুন্নত অনুযায়ী বিশ্বৰ জামাত বোৰৰ অৱস্থা অনুযায়ী সিহঁতৰ পৰা পৰামৰ্শ লৈ থাকে। যদি আল্লাহ তা'লাই ইচ্ছা কৰিলেহেঁতেন তেন্তে সকলো ক্ষেত্ৰতেই আঁহজৰত (ছাঃ)ক পথ নিৰ্দেশনা দিব পাৰিলেহেঁতেন; কিন্তু সেয়া নকৰি কিছুমান সমস্যা আদিৰ ক্ষেত্ৰত আনৰ সৈতে পৰামৰ্শ কৰাৰ আদেশ দিছে। আঁহজৰত (ছাঃ)য়ে কিছুমান বিষয়ত চাহাবা সকলৰ লগত পৰামৰ্শ কৰাটো প্ৰকৃততে আমাক শুদ্ধ বাটত চলোৱাৰ আৰু পৰামৰ্শৰ মাজেৰে কাম কৰাৰ আৰু তেখেতৰ উম্মতৰ মাজত একতা স্থাপন কৰাৰ পথ দেখুৱাইছে।

এই বিষয়ে এখন হাদীছত বৰ্ণিত আছে যে হজৰত ইবনে আববাছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া শাবিৰুহুম ফিল আমৰে আয়াত নাযিল হৈছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে যদিও আল্লাহ আৰু তাৰ ৰছুল ইয়াৰ পৰা মুক্ত তথাপি এয়া আল্লাহ তা'লা মোৰ উম্মতৰ বাবে ৰহমত হিচাপে নাযিল কৰিছে। গতিকে যিসকলে পৰামৰ্শৰ মাজেৰে কাম কৰাৰ সিদ্ধান্ত ল'ব, সিহঁতে হিদায়তৰ পৰা বঞ্চিত নহ'ব আৰু যিসকলে পৰামৰ্শ নকৰিব  সিহঁতে অপমানৰ হাত সাৰিব নোৱাৰিব। সেয়ে আঁহজৰত (ছাঃ)য়ে যদিও এইবোৰ পৰামৰ্শৰ মাজত কাম কৰাৰ পৰা স্বাধীন আছিল তথাপি তেখেত (ছাঃ)য়ে পৰামৰ্শ লৈ কাম কৰি আমাৰ বাবে এক আদৰ্শ আঁৰি থৈ গৈছে।

যাতে উম্মতে সদায় আল্লাহ তা'লাৰ ৰহমত লাভ কৰিব পাৰে; আৰু সজ বাটত চলি সকলো পতন আৰু অপমানৰ হাত সাৰিব পাৰে।

গতিকে এয়া আমালোকৰ ওপৰত আল্লাহ তা'লাৰ বিশেষ কৃপা যে আমাৰ মাজত শ্বোৰাৰ এটা নিজাম প্ৰৱৰ্তন কৰি দিছে। গতিকে প্ৰত্যেকজন আহমদীয়ে সাধাৰণতে আৰু বিশেষকৈ শ্বোৰাৰ সদস্য বৃন্দই এইফালে মনোযোগ দি আল্লাহ তা'লাৰ শলাগ লোৱা উচিত যে আল্লাহ তা'লা আমাৰ বাবে হিদায়তৰ উপায় ৰাখি থৈ দিছে।

আঁহজৰত (ছাঃ)য়ে এই পৰামৰ্শ সভাৰ তিনিটা ধৰণ অৱলম্বন কৰিছিল, যিবোৰ খলিফা সকলেও জাৰি ৰাখিছিল আৰু হজৰত মছীহ মাওউদ (আঃ)য়েও সেই মতেই আমল কৰিছে।

যেতিয়া কোনো সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শ লোৱাৰ প্ৰয়োজন হৈ পৰিছিল তেতিয়া লোকসকলক মাতি দিয়াৰ পিছত সকলোৰে আহি এঠাইত সমৱেত হৈছিল আৰু তাতে লোক সকলে যি ৰায় প্ৰদান কৰিছিল তাৰ ওপৰত আঁহজৰত (ছাঃ)য়ে সিদ্ধান্ত লোৱা কৰিছিল। আন এটা পদ্ধতি আছিল আঁহজৰত (ছাঃ)য়ে যিসকল লোকক পৰামৰ্শ দিয়াৰ উপযুক্ত বুলি ভাৱিছিল কেৱল মাত্ৰ সেই লোক সকলৰ পৰামৰ্শ মতে কামত আগবাঢ়িছিল। তৃতীয় পদ্ধতি অৱলম্বন কৰিছিল এয়া যে য'ত আঁহজৰত (ছাঃ)য়ে ভাৱিছিল যে ইয়াত দুজন লোক একেলগে কৰা যুগুত নহ'ব তাতে তেখেত (ছাঃ)য়ে প্ৰত্যেককে ভাগে ভাগে মাতি আনি পৰামৰ্শ লৈছিল। হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই আঁহজৰত (ছাঃ)তকৈ বেছি আন কাৰোবাক নিজৰ আচহাবৰ সৈতে পৰামৰ্শ কৰোঁতে দেখা নাই। গতিকে কথা হ'ল সেই নবী (ছাঃ) যাৰ ওপৰত আল্লাহ তা'লা পোনে পোনে পথ নিৰ্দেশনা আগবঢ়াইছিল, সেইজনেও পৰামৰ্শ লোৱা কৰিছিল। গতিকে তোমালোকে কিমান গুৰুত্ব সহকাৰে পৰামৰ্শ কৰাৰ বিষয়টো ভাৱিব লাগিব সেয়া বুজাৰ চেষ্টা কৰা উচিত।

বদৰৰ যুদ্ধাভিযানত চাহাবা সকলে আঁহজৰত (ছাঃ)ক পৰামৰ্শ আগবঢ়োৱাৰ পিছত তেখেত (ছাঃ)য়ে সেইমতেই গ্ৰহণ কৰি যুদ্ধলৈ আগবাঢ়িছিল আৰু নিজৰ প্ৰাণৰ ভাবুকি লৈছিল। গতিকে আমাৰ শ্বোৰাৰ সদস্য সকলে এয়া মনত ৰখা উচিত যে সৰ্বপ্ৰথমে নিজকে নিজে সাজু কৰি ল'ব লাগিব যে আমি পৰামৰ্শৰ মাজেৰে লোৱা সিদ্ধান্ত সমূহৰ মঞ্জুৰি হোৱাৰ পিছত সেইবোৰৰ ওপৰত আমল কৰিবলৈ সকলো ধৰণৰ কোৰবাণী গ্ৰহণ কৰিম। আপোনালোকে সেই বিভাগৰ সদস্য যি বিভাগটো নিজামে খিলাফত আৰু নিজামে জামাতৰ সহায়ক বিভাগ। পৰামৰ্শদাতা সকলৰ পৰামৰ্শ সদায় মনোভাৱ আৰু তাকওৱাৰ শীৰ্ষতম মানদণ্ডৰ মাজত প্ৰতিষ্ঠিত হ'ব লাগিব। সেই হিচাপে পৰামৰ্শদাতা সকলৰ বৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে। তেওঁলোকে নিজকে বিচাৰ কৰি চাব লাগিব যে নিজৰ তাকওৱাও মান কোন পৰ্যায়ত আছে। হজৰত আলি (ৰাঃ)ৰ এটা ৰিৱায়তে বৰ্ণনা কৰিছে এনেদৰে **শ্বাৱিৰুল ফুকাহায়ু ওৱাল আবিদিন** অৰ্থাৎ বিজ্ঞ আৰু ইবাদত গোজাৰ ব্যক্তিৰ সৈতে পৰামৰ্শ কৰা। প্ৰত্যেকৰ সৈতে নহয়। গতিকে এয়াই হ'ল প্ৰতিনিধি সকলৰ মানদণ্ড। ইয়াতে সেই লোক সকলৰ বাবেও নচিহত আছে, যিসকলে মজলিচে শ্বোৰাৰ সদস্য সকলক নিৰ্বাচন কৰে। গতিকে তেওঁলোকে নিজৰ ফালৰ পৰা এনেকুৱা লোকক নিৰ্বাচিত কৰিব লাগিব যিয়ে ৰায় প্ৰদানৰ যোগ্য ব্যক্তি। সেইজন ধৰ্মীয় জ্ঞানত উত্তম আৰু তাৰ ইবাদতৰ মান উত্তম আছে। যতেই এই কথাবোৰ আগত ৰাখি প্ৰতিনিধি নিৰ্বাচন কৰা হয় তাতেই মই দেখিছো যে অইনৰ মাজত তেওঁলোকৰ এটা স্পষ্ট পাৰ্থক্য আছে। খলিফা ওয়াক্তে ভাৱে যে লোকে যিহেতু আল্লাহ তা'লাৰ আদেশ অনুযায়ী নিজৰ প্ৰতিনিধি পাতিছে গতিকে সি নিশ্চয় সেই মতেই নিজৰ প্ৰতিনিধিত্বৰ হ'ক আদায় কৰি আছে আৰু যদি প্ৰতিনিধিয়ে ন্যায্য ভাৱে নিজৰ হ'ক আদায় কৰা নাই তেন্তে তেওঁ কেৱল জামাতৰ বিশ্বাসেই নষ্ট কৰা নাই বৰং খলিফা ওয়াক্তৰ ওচৰত নিজৰ আমানতৰ হ'ক আদায় নকৰি খিয়ানত কৰি আছে।

শ্বোৰাৰ প্ৰতিনিধিত্ব এবছৰৰ বাবে হৈ থাকে য'ত ব্যৱস্থাপনা আৰু পৰিচালকৰ সৈতে সহযোগ কৰিব লাগিব। মনোনীত সিদ্ধান্তৰ ওপৰত নিজেই আমল কৰিব লাগিব আৰু আনকও কৰোৱাব লাগিব। সদায় এয়া চাব লাগিব যে আপোনাৰ জামাতত কিমান খিনি খলিফা ওয়াক্তৰ সিদ্ধান্ত অনুযায়ী আমল কৰা হৈ আছে। মাজে সময়ে খলিফা ওয়াক্তৰ সিদ্ধান্ত পদবীদাৰ সকলৰ অলসতাৰ চিকাৰ হৈ পৰে আৰু সেইদৰে সিদ্ধান্তৰ ওপৰত আমল কৰা নহয় যেনেকৈ কৰা উচিত আছিল। এনে অৱস্থাত বিভাগীয় পদবীদাৰ আৰু কাৰ্যালয় কৰ্তৃপক্ষক মনত পেলাই দিব লাগিব। হয়তো কোনোবাই ইহজগতৰ নানা অজুহাত বনাই ৰক্ষা পাব পাৰে কিন্তু আল্লাহ তা'লাৰ ওচৰত কোনো কথা লুকাই নাথাকে সি আমানত সম্পৰ্কে প্ৰশ্ন কৰিব। কিছুমান সদস্যই তেতিয়া গৈ কাৰ্যালয়ত অৱগত কৰে যেতিয়া কোনো পদবীদাৰৰ সৈতে মতানৈক্য ঘটে। এয়া শুদ্ধ কথা নহয়।

জামাতৰ ফালৰ পৰা কিছুমান নিৰ্ণয় দ্বিতীয়বাৰ পঠোৱাৰ অৰ্থ হ'ল আগৰ সিদ্ধান্তৰ ওপৰত আমল কৰা হোৱা নাই। গতিকে এনেকুৱা জামাতবোৰ আৰু সিহঁতৰ পদবীদাৰ সকলে চিন্তা কৰা উচিত যে এয়া তাকওৱাৰ ওপৰত চলা হৈছে নে নিজৰ আমানতৰ হ'ক আদায় কৰা হৈছে নে,খিলাফতৰ আনুগত্য আৰু নিজৰ পদবীৰ দায়িত্ব পালন কৰা হৈছে নে হোৱা নাই। দেশৰ মৰকজ বিলাকে এনে ক্ষেত্ৰত লজ্জাবোধ কৰা উচিত যে আমি সিদ্ধান্ত অনুযায়ী জামাতক আমল কৰোৱাব পৰা নাই কিন্তু এই বছৰ আমি ইয়াৰ ওপৰত আমল কৰিম আৰু যদি আমল নকৰাও তেন্তে আমি দোষী সাব্যস্ত হ'ম আৰু সেই লোক সকলৰ মাজত অন্তৰ্ভুক্ত হ'ম যিসকলে নিজৰ আমানতৰ হ'ক আদায় কৰি থকা নাই আৰু ক্ষমা বিচাৰি লিখা উচিত যে আমি এই বছৰ সেইবোৰ সিদ্ধান্ত মনোনীত কৰাৰ বাবে আগবঢ়োৱাৰ ছুপাৰিশ কৰিছোঁ। ইয়াৰ দ্বাৰা পৰিচালক বিভাগ আৰু প্ৰতিনিধি সকলে অনুমান কৰিব পাৰিব যে তেওঁলোকে ডাঙৰ ডাঙৰ লাহে আমল বনাই খলিফা ওয়াক্তলৈ পঠায় কিন্তু তাৰ ওপৰত আমল নকৰে। সেয়ে এওঁলোক দোষী আৰু খলিফা ওয়াক্ত বিশ্বাসত আঘাত হানি দিওঁতা হয়। এই হিচাপে যেতিয়া সমুহীয়া ভাৱে পৰ্যালোচনা কৰা হয় তেতিয়া ব্যক্তিগত ভাৱেও শ্বোৰাৰ প্ৰতিনিধি সকলে আৰু পদবীদাৰ সকলেও নিজৰ নিজৰ বিষয়ে ভৱা উচিত আৰু ইস্তেগফাৰ কৰা উচিত। ইয়াৰ লগতে নিৰ্দেশ অনুযায়ী আমল নকৰাৰ কাৰণ বিচাৰি চোৱা উচিত।

গতিকে এনেবোৰ অনুসন্ধানেৰে জামাতি নিজামক শুদ্ধ পথেৰে চলাব পাৰিব নহলে কেৱল মুখৰ কথাৰ একো মূল্য নাই।

নিজৰ কাৰ্য্যৰ আদৰ্শ লোকৰ সৈতে প্ৰেমময় সম্পৰ্ক সিহঁতৰ প্ৰতি সহানুভূতি হৃদয়ত ৰখা, খলিফা ওয়াক্তৰ প্ৰতি ভালপোৱা ৰখা, প্ৰত্যেক পদবীদাৰ আৰু শ্বোৰাৰ সদস্য সকলৰ বিশেষ নীতি হলেহে এক নৱজাগৰণ জামাত অহাটো দেখিবলৈ পাব। আমি নিজৰ আমলৰ অৱস্থা শুধৰাই লোৱাৰ বাবে শ্বোৰা অনুষ্ঠিত কৰি এটা পৰিকল্পনা হাতত ল'ব লাগিব আৰু খোদায়ে ওৱাহিদৰ বাৰ্তা পৌচাই দিবলৈ আৰু বিশ্ববাসীক আঁহজৰত (ছাঃ)ৰ পতাকা তলত লৈ আনিবলৈ এনেকুৱা পৰিকল্পনা হাতত ল'ব লাগিব যিয়ে এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ এটা মন্তব্যৰ আধাৰত তাকওৱাৰ ওপৰত চলি নিজৰ দায়িত্ব পালনৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কৈছে যে আল্লাহ তা'লা আমাক তাকওৱাৰ ওপৰত চলি নিজৰ দায়িত্ব পালনৰ তৌফিক দান কৰক। আল্লাহ তা'লা আমালোকৰ দুৰ্বলতা,ভুল, অলসতা সমূহ ঢাকি ৰাখক আৰু সকলো ধৰণৰ ফজিলত আমাৰ ওপৰত বৰ্ষণ কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 12 MAY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**